# NSD NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date : 29-06-2026**
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***

***::::::::::::::::::::::::::::::::::::***

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি নতুন দিল্লীৰ ৰাষ্ট্ৰপতি ভৱনত দ্বিতীয় পৰ্যায়ৰ সাহসিকতাৰ বঁটাসমূহ প্ৰদান কৰে।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে তেওঁৰ চিচেলছ ভ্ৰমণ দেশ দুখনৰ মাজৰ বন্ধুত্বপূৰ্ণ সম্পৰ্কত অতি গুৰুত্বপূৰ্ণ বুলি সামাজিক মাধ্যমযোগে প্ৰকাশ কৰিছে।

৩। হাৰিয়ানা আৰু ৰাজস্থান চৰকাৰে আজি নতুন দিল্লীত গৃহমন্ত্ৰী অমিত শ্বাহৰ উপস্থিতিত যমুনা জলপ্ৰকল্প নিৰ্মাণ আৰু ৰূপায়ণৰ বাবে এখন চুক্তিত স্বাক্ষৰ কৰে।

৪। কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যান মন্ত্ৰী জে পি নাড্ডাই আজি নতুন দিল্লীত স্বাস্থ্য খণ্ডৰ বাবে কেইটামান ডিজিটেল পদক্ষেপ মুকলি কৰে। *আৰু*

৫। ফিফা বিশ্বকাপ ফুটবল প্ৰতিযোগিতাত আজি নিশা চাৰে দহ বজাত ব্ৰাজিল জাপানৰ বিৰুদ্ধে আৰু নিশা ২ বজাত জাৰ্মানী পাৰাগুৱেৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি নতুন দিল্লীৰ ৰাষ্ট্ৰপতি ভৱনত দ্বিতীয় পৰ্যায়ৰ সাহসিকতাৰ বঁটাসমূহ প্ৰদান কৰে। এয়াৰ মাৰ্ছেল তৰুণ চৌধুৰী, লেফটেনেণ্ট জেনেৰেল নিৰজ বাঞ্চয়, লেফটেনেণ্ট জেনেৰেল বিকাশ ৰোহেল্লা, লেফটেনেণ্ট জেনেৰেল হৰবিন্দৰ সিং ভদ্ৰা, আৰু লেফটেনেণ্ট জেনেৰেল মহিন্দেৰ পালসিঙক অতি বিশিষ্ট সেৱা পদকেৰে সন্মানিত কৰা হয়। এই অনুষ্ঠানত উপৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণ, প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙৰ লগতে কেন্দ্ৰীয় মন্ত্ৰীসকল আৰু সশস্ত্ৰ বাহিনীৰ জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকে। প্ৰতিৰক্ষা বাহিনী, কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনী আৰু অন্যান্য নিৰাপত্তা সংস্থাসমূহত কৰ্মৰত সাহসিকতাৰ উৎকৃষ্ট নিদৰ্শন দাঙি ধৰা লোকক এই বঁটা প্ৰদান কৰা হয়। এই বঁটাই সন্ত্ৰাসবাদ, উগ্ৰবাদকে ধৰি জম্মু-কাশ্মীৰ, উত্তৰ-পূৰ্বাঞ্চল আৰু দেশৰ সীমান্ত অঞ্চলৰ শত্ৰুৰ ভাবুকিৰ বিৰুদ্ধে ভাৰতৰ অবিৰত যুঁজখনক প্ৰতিফলিত কৰে। তদুপৰি বিমান পৰিবহণ, সামুদ্ৰিক অভিযান আৰু মানৱীয় অভিযানসমূহত দেখুওৱা অনবদ্য সাহসকো এই বঁটাৰ জৰিয়তে স্বীকৃতি দিয়া হয়। ইয়াৰ আগেয়ে ৰাষ্ট্ৰপতিগৰাকীয়ে যোৱা ৮ জুনত ৰাষ্ট্ৰপতি ভৱনত আয়োজিত অনুষ্ঠানত প্ৰথম পৰ্যায়ৰ সাহসিকতাৰ বঁটাসমূহ প্ৰদান কৰিছিল।

ooooo

আফ্ৰিকীয় দেশ চিচেলছ আৰু ভাৰতৰ বন্ধুত্বপূৰ্ণ সম্পৰ্কৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ চিচেলছ ভ্ৰমণ অতি গুৰুত্বপূৰ্ণ। সামাজিক মাধ্যমৰ এটা পোষ্টত এই বিষয়ে উল্লেখ কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয় যে বিগত ৫০

বছৰত দুয়োখন দেশৰ মাজৰ সম্পৰ্কই গভীৰ বিশ্বাস আৰু প্ৰগতিক প্ৰতিফলিত কৰিছে। লগতে সমাগত ৫০ বছৰৰ দুয়োখন দেশৰ সম্পৰ্কই উদ্ভাৱন, বহনক্ষম আৰু সমৃদ্ধিৰ ভাগ বতৰাক প্ৰতিফলিত কৰিব বুলি প্ৰধানমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। শ্ৰীমোদীয়ে কয়, যে চিচেলছৰ স্বাধীনতাৰ ৫০ বছৰ পূৰ্ণ হোৱাৰ লগত সংগতি ৰাখি আয়োজিত বিশেষ কাৰ্যসূচীত অংশগ্ৰহণ কৰি তেওঁ অতি আনন্দিত। এই অনুষ্ঠানত সন্মানীয় অতিথি হিচাপে উপস্থিত থকা শ্ৰীমোদী হৈছে প্ৰথমগৰাকী ভাৰতীয় প্ৰধানমন্ত্ৰী। প্ৰধানমন্ত্ৰীগৰাকীয়ে দেশখনত তেওঁৰ প্ৰতি প্ৰদৰ্শন কৰা মৰমৰ বাবে চিচেলছৰ ৰাষ্ট্ৰপতি ডং পাট্ৰিক হাৰমিনি, দেশখনৰ চৰকাৰ আৰু জনসাধাৰণক ধন্যবাদ জ্ঞাপন কৰে।

উল্লেখযোগ্য যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি তিনি দিনীয়া চিচেলছ ভ্ৰমণ সামৰি স্বদেশলৈ ৰাওনা হয়। চিচেলছ ভ্ৰমণৰ তৃতীয় দিনা তেওঁ ভিক্টৰীয়াত অৱস্থিত নৰশক্তি বিনয়াগৰ মন্দিৰ দৰ্শন কৰে। শ্ৰীমোদীয়ে তাত ভাৰতীয় মূলৰ লোকসকলকো সাক্ষাৎ কৰে। ইয়াৰ পাছতে প্ৰধানমন্ত্ৰীয়ে দেশখনৰ শান্তি উদ্যানত থকা মহাত্মা গান্ধীৰ প্ৰতিমূৰ্তিত শ্ৰদ্ধাঞ্জলি জনায়।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক পৰিবেশ সংৰক্ষণ আৰু বহনক্ষম উন্নয়নৰ ক্ষেত্ৰত দিয়া নেতৃত্বৰ বাবে চিচেলছৰ সৰ্বোচ্চ সন্মান **গাৰ্ডিয়ান অব দা ব্লু হৰাইজন** প্ৰদান কৰা হয়। তেওঁ দেশখনৰ নেচনেল এছেম্বলিত ভাষণ দি কয়, যে চিচেলছ আৰু ভাৰত দুয়োখন দেশে সৰ্বাত্মক বিকাশৰ দিশত আগবাঢ়িছে আৰু আন্তঃৰাষ্ট্ৰীয় সংস্থাসমূহত ইয়াৰ প্ৰতিফলন ঘটিছে। ০০০০

০০০০০

হাৰিয়ানা আৰু ৰাজস্থান চৰকাৰে আজি নতুন দিল্লীত গৃহমন্ত্ৰী অমিত শ্বাহৰ উপস্থিতিত যমুনা জলপ্ৰকল্প নিৰ্মাণ আৰু ৰূপায়ণ বিষয়ত এখন চুক্তিত স্বাক্ষৰ কৰে। এই চুক্তিয়ে পানী সম্পৰ্কীয় প্ৰায় ৩ দশক পুৰণি সমস্যাটোৰ সমাধান কৰিব বুলি মন্ত্ৰীগৰাকীয়ে নিজৰ ভাষণত উল্লেখ কৰে। এই চুক্তিৰ জৰিয়তে অহা জুলাই মাহৰ পৰা অক্টোবৰলৈ মাটিৰ তলৰ পাইপলাইনৰ যোগেদি যমুনা নৈৰ পৰা ৰাজস্থানলৈ প্ৰায় ৫৮০ মিলিয়ন ঘনমিটাৰ পানীৰ যোগান ধৰা হ'ব। মন্ত্ৰীগৰাকীয়ে লগতে উল্লেখ কৰে যে এই চুক্তিত অৰ্থনৈতিক দায়বদ্ধতা, ব্যয়ৰ ভাগবতৰা, পানী আৱণ্টন, জল সংৰক্ষণ ব্যৱস্থা ইত্যাদি বিষয়ত আলোচনা কৰা হয়।

০০০০০

কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যান মন্ত্ৰী জে পি নাড্ডাই আজি নতুন দিল্লীত স্বাস্থ্য খণ্ডৰ বাবে কেইটামান ডিজিটেল পদক্ষেপ মুকলি কৰে। ভাৰতবৰ্ষৰ স্বাস্থ্যখণ্ডৰ ডিজিটেল ৰাজহুৱা আন্তঃগাথনি শক্তিশালী কৰাৰ বাবে এই পদক্ষেপসমূহ হাতত লোৱা হৈছে। এই পদক্ষেপত আৰোগ্য সেতু ২.০, আয়ুষ্মান সাৰথি চাটবত, আয়ুষ্মান এপ, ই-শুশ্ৰুত ক্লিনিক, ৰাষ্ট্ৰীয় স্বাস্থ্য দাবী বিনিময় আৰু স্বাস্থ্য খণ্ডৰ মানদণ্ডকে আদি কৰি বিভিন্ন বিষয় অন্তৰ্ভুক্ত কৰা হয়। এই পদক্ষেপসমূহৰ লক্ষ্য হৈছে স্বাস্থ্য সেৱাৰ সুবিধাসমূহৰ সম্প্ৰসাৰণ ঘটোৱা, আন্তঃ কাৰ্যদক্ষতা শক্তিশালী কৰা আৰু সমগ্ৰ দেশতে স্বাস্থ্যৰ বাবে ডিজিটেল ৰাজহুৱা আন্তঃগাথনি গ্ৰহণ ত্বৰান্বিত কৰা। ৰাষ্ট্ৰীয় স্বাস্থ্য কৰ্তৃপক্ষ আৰু ৰাষ্ট্ৰীয় সম্পদ কেন্দ্ৰৰ তত্বাৱধানত এই পদক্ষেপসমূহ গ্ৰহণ কৰা হৈছে। অনুষ্ঠানত ভাষণ প্ৰদান কৰি শ্ৰীনাড্ডাই কয় যে এই পদক্ষেপসমূহ এখন সুস্থ ভাৰত আৰু ডিজিটেলভাৱে অধিক সৱল দেশ হিচাপে গঢ়ি তোলাত এক গুৰুত্বপূৰ্ণ মাইলৰ খুটি হিচাপে বিবেচিত হৈছে। তেওঁ লগতে উল্লেখ কৰে যে স্বাস্থ্য সেৱা খণ্ডই স্বাস্থ্য সেৱাৰ পৰিসৰ বৃদ্ধি কৰি সমগ্ৰ দেশৰ নাগৰিকসকলৰ বাবে স্বাস্থ্য সুবিধাসমূহ অধিক সুলভ আৰু পৰ্যাপ্ত কৰি তুলিছে।

ইয়াৰ উপৰি নতুন দিল্লীত কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যান পৰিষদৰ ষোড়শ সন্মিলনত অংশগ্ৰহণ কৰি চৰকাৰী প্ৰাথমিক, মাধ্যমিক আৰু তৃতীয় পৰ্যায়ৰ স্বাস্থ্য সেৱা খণ্ডৰ সম্প্ৰসাৰণ কৰি দেশৰ স্বাস্থ্য সেৱা ব্যৱস্থা যথেষ্ট শক্তিশালী কৰি তুলিছে বুলি মন্তব্য কৰে। নাগৰিক আৰু স্বাস্থ্য সেৱা ব্যৱস্থাৰ মাজৰ প্ৰথম যোগসূত্ৰ হিচাপে ১ দশমিক ৮-৬ লাখ আয়ুষ্মান আৰোগ্য মন্দিৰ স্থাপন কৰা হৈছে। চৰকাৰে উন্নত চিকিৎসাৰ ধাৰাবাহিকতা সুনিশ্চিত কৰিবলৈ প্ৰাথমিক আৰু মাধ্যমিক স্বাস্থ্যসেৱাৰ মাজৰ সংযোগ পূৰ্বতকৈ উন্নত হৈছে বুলিও ভাষণ প্ৰসংগত উল্লেখ কৰে। তেওঁ লগতে কয় যে সমগ্ৰ দেশতে বিশেষকৈ পিছপৰা জিলাসমূহত ২৩ খন নতুন এইমছ আৰু ১৫৭ খনতকৈও অধিক চিকিৎসা মহাবিদ্যালয় স্থাপনৰ জৰিয়তে তৃতীয় পৰ্যায়ৰ স্বাস্থ্য সেৱাও শক্তিশালী কৰা হৈছে।

০০০০০

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে আজি নতুন দিল্লীত অৰ্থনৈতিক সংস্কাৰ সাধনৰ বাবে তথা কৌশলগত গৱেষণা আৰু উন্নয়ন প্ৰকল্পৰ দক্ষতা, দায়বদ্ধতা, সময়োপযোগী কাৰ্যকাৰীতা বৃদ্ধিৰ বাবে ডি আৰ ডি অ'লৈ এটা প্ৰতিনিধি দল (ডি এফ পি ২০২৬) নিয়োগ কৰে। শ্ৰীসিঙে কয় যে এই ব্যৱস্থাৰ জৰিয়তে প্ৰতিৰক্ষা খণ্ডৰ গৱেষণা আৰু প্ৰতিৰক্ষা বাহিনীত প্ৰৱেশৰ সুবিধা সূচল হোৱাৰ উপৰিও প্ৰযুক্তিখণ্ডৰ দ্ৰুত উন্নয়ন সম্ভৱ হৈ উঠিব। মন্ত্ৰীগৰাকীয়ে লগতে উল্লেখ কৰে যে এই নতুন পৰিকাঠামোৰ জৰিয়তে আত্মনিৰ্ভৰ ভাৰতৰ দৃষ্টিভংগী অধিক শক্তিশালী কৰি তোলাৰ উদ্দেশ্যে উদ্যোগ আৰু শিক্ষা খণ্ডৰ মাজত সহযোগিতা বৃদ্ধি কৰি তোলা হ'ব। প্ৰতিৰক্ষা প্ৰযুক্তিৰ ক্ষেত্ৰত অসমৰ নিৰ্ভৰশীলতা বৃদ্ধিত অৰিহণা যোগোৱাৰ লগতে এই ব্যৱস্থাৰ দ্বাৰা দেশৰ প্ৰতিৰক্ষা ব্যৱস্থা অধিক শক্তিশালী কৰি তুলিব বুলি তেওঁ উল্লেখ কৰে। প্ৰতিৰক্ষা মন্ত্ৰালয়ে কয়, যে ডি এফ পি ২০২৬ ৰ লক্ষ্য হৈছে প্ৰতিৰক্ষা বিভাগৰ বিভিন্ন স্তৰৰ কাৰ্যকাৰীতা অধিক সৰলীকৰণ কৰা। সংশোধিত এই পৰিকাথামোৱে পৰীক্ষামূলক অভিযান, পৰীক্ষা আৰু উন্নয়ন কাৰ্যকলাপ ইত্যাদিৰ বাবে অনুমোদিত বিত্তীয় ব্যৱস্থাকে ধৰি কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰয়োজনীয়তাক প্ৰাধান্য দিয়া বিষয়ত মন্তব্য প্ৰকাশ কৰে। অনুষ্ঠানত প্ৰতিৰক্ষা মুৰববী জেনেৰেল এন এছ ৰাজা সুব্ৰমণি, ডি আৰ ডি অ'ৰ অধ্যক্ষ ৰাজেশ কুমাৰ সিং আৰু অন্যান্য জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকে।

০০০০০

উপৰাষ্ট্ৰপতি তথা ৰাজ্যসভাৰ সভাপতি চি পি ৰাধাকৃষ্ণণে আজি সংসদ ভৱনত নৱনিৰ্বাচিত আৰু পুনৰ নিৰ্বাচিত ৮ গৰাকী ৰাজ্যসভাৰ সদস্যক শপত বাক্য পাঠ কৰোৱায়। তেওঁলোকৰ ভিতৰত আছে- কংগ্ৰেছৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গে, কৰ্ণাটকৰ বিজেপি দলৰ এম নাগাৰাজা, পঞ্জাবৰ বিজেপি নেতা তৰুণ সুঘ, গুজৰাটৰ মনসিং মেৰামন পাৰ্মাৰ আৰু জীতেন্দ্ৰ মেঘজীভাই কাঞ্জাৰিয়া, ৰাজস্থানৰ ড° অলকা সিং, মণিপুৰৰ অধিকাৰী মায়ুং সাৰদা দেৱী আৰু মহাৰাষ্ট্ৰৰ এন চি পিৰ নেতা ৰাজেন্দ্ৰ হীৰালাল জৈন। এই অনুষ্ঠানত কেন্দ্ৰীয় মন্ত্ৰী কিৰেন ৰিজিজু আৰু জগত প্ৰকাশ নাড্ডা উপস্থিত থাকে।

০০০০০

ফিফা বিশ্বকাপ ফুটবল প্ৰতিযোগিতাত আজি নিশা চাৰে ১০ বজাত ব্ৰাজিল জাপানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। আমেৰিকাৰ বষ্টন ষ্টেডিয়ামত হ'বলগীয়া প্ৰতিযোগিতাৰ আন এখন খেলত জাৰ্মানী পাৰাগুৱেৰ মুখামুখি হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি মাজ নিশা ২ বজাত আৰম্ভ হ'ব।

প্ৰতিযোগিতাত যোৱা নিশা আমেৰিকাৰ লছ এঞ্জেলছত অনুষ্ঠিত নকআউট পৰ্যায়ৰ এখন খেলত কানাডাই দক্ষিণ আফ্ৰিকাক ১-০ গ'লত পৰাস্ত কৰে। কানাডাৰ হৈ ষ্টিফেন ইউষ্টাকিউৱেই খেলখনৰ দ্বিতীয়াৰ্ধৰ সামৰণিলৈ ২

মিনিট বাকী থকা অৱস্থাত বিজয়সূচক গ'লটো দিয়ে। সহ আয়োজক কানাডাই খেলখনৰ অন্তিম মুহূৰ্তত সুন্দৰ প্ৰদৰ্শনেৰে ফুটবল প্ৰেমীৰ মন জয় কৰে। কানাডাই অহা ৪ জুলাইত হিউষ্টনত নেডাৰলেণ্ডছ অথবা মৰক্কোৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

উল্লেখযোগ্য যে ফিফা বিশ্বকাপ ফুটবল প্ৰতিযোগিতাৰ নকআউট পৰ্যায়ৰ খেলসমূহ যোৱা নিশাৰে অনুষ্ঠিত হৈছে। গ্ৰুপ পৰ্যায়ত জয়লাভ কৰা ৩২টা দল নকআউট পৰ্যায়ৰ খেলত অৱতীৰ্ণ হ'ব।

ooooo

ঃঃ সমাপ্ত ঃঃ